**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-09-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত কৰিবলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকললৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই সন্দৰ্ভত আয়োগে জাৰি কৰা জাননী অনুসৰি পৰীক্ষাকেন্দ্ৰত প্ৰৱেশৰ সময়ত আৰক্ষী বা কৰ্তৃত্বশীল ব্যক্তিৰ দ্বাৰা প্ৰাৰ্থীসকলক মেটেল ডিটেক্টৰৰ লগতে হাতেৰে তালাচী চলোৱা হ'ব। এই ক্ষেত্ৰত কোনো প্ৰাৰ্থীক যদি সঠিকভাৱে তালাচী চলোৱা নহয়, তেন্তে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীয়ে তাৎক্ষণিকভাৱে কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰাব পাৰিব। এডমিটকাৰ্ড, বৈধ পৰিচয়পত্ৰ অবিহনে কোনো প্ৰাৰ্থীকে পৰীক্ষাকেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰি জাননীখনত পুনৰ কোৱা হৈছে পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলে প্ৰশ্নকাকতখন নিজৰ লগত আনিব পাৰিব। লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত প্ৰদান কৰা OMR ছীটখনত থকা ৰোল নম্বৰ উত্তৰ কৰাৰ পূৰ্বে সঠিকভাৱে পৰীক্ষা কৰিবলৈ প্ৰাৰ্থীসকলক কোৱা হৈছে। উল্লেখযোগ্য যে অহা ২৯ ছেপ্তেম্বৰৰ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয়বৰ্গৰ আৰু দুপৰীয়া ডেৰ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ মেট্ৰিক পৰ্যায়ৰ চালক পদৰ পৰীক্ষা অনুষ্ঠিত হব। তথ্য অনুসৰি তৃতীয় বৰ্গৰ চাৰি হাজাৰ ৫৫টা পদৰ বাবে পাঁচ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী আৰু চালকৰ ৪১৮ টা পদৰ বাবে দুই লাখ চাৰি হাজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব।

ooooooo

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ, গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাই আজি বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে চৰাইদেউ জিলাত উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মৈদাম ক্ষেত্ৰত আহোম স্বৰ্গদেউসকল তথা উপৰি পুৰুষসকলক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পূৰ্বে ঐতিহাসিক মৈদাম ক্ষেত্ৰত উপস্থিত হোৱা মন্ত্ৰীগৰাকীক কেন্দ্ৰীয় পুৰাতত্ব আৰু প্ৰত্নতত্ব সঞ্চালকালয়ৰ ফালৰ পৰা আদৰণি জনোৱা হয়। আজিৰ ভ্ৰমণ কালত তেওঁ অলপতে বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰা আহোম ৰাজত্বকালৰ মৈদামৰ গঠন, ইতিহাস, ঐতিহাসিক মূল্য তথা গুৰুত্বৰ বিষয়ে সবিশেষ বুজ লয়।

ooooooo

———যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে ডিগবৈ বন সংমণ্ডলৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা ডিগবৈত বন ভিত্তিক জীৱিকা অৰ্জন সম্পৰ্কীয় এটি প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰিছে। এই প্ৰশিক্ষণত ৩৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণত বাঁহ, সাঁচিগছ, কয়লা, কৃষি বনানীকৰণ, কাঠফুলা, বন সংৰক্ষণ আদি বিভিন্ন বিষয়ৰ ওপৰত এই কৰ্মশালাত প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হ'ব।

ooooooo

চৰাইদেউ জিলাৰ দুটা আয়ুষ্মাণ আৰোগ্য মন্দিৰে ৰাষ্ট্ৰীয় গুণগত নিশ্চয়তা মান মূল্যায়নত সফলতা অৰ্জন কৰিছে। শেহতীয়াকৈ ঘোষণা কৰা ফলাফলত জিলাখনৰ চিৰিংগাঁও আয়ুষ্মান আৰোগ্য মন্দিৰে ৯৬ দশমিক ০-৫ শতাংশ আৰু টিমন আয়ুষ্মান আৰোগ্য মন্দিৰে ৯৫ দশমিক ৩-৪ শতাংশ নম্বৰ লাভ কৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ মূল্যায়নত সফলতা অৰ্জন কৰে।

ooooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি কামৰূপ জিলাৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বচ্ছতাই সেৱা শীৰ্ষক দেশজোৰা অভিযানৰ অংশ হিচাপে এটা জনসম্পৰ্ক ৰক্ষা কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখযোগ্য যে **স্বভাৱ স্বচ্ছতা, সংস্কাৰ স্বচ্ছতা** শীৰ্ষক স্বচ্ছতা আৰু অনাময় কাৰ্যসূচীৰ দ্বাৰা স্বচ্ছতাই সেৱা নামৰ অভিযান ৰূপায়ণ কৰা হৈছে। আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে এই কাৰ্যসূচীৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক দৈনন্দিন জীৱনত স্বচ্ছতা আৰু অনাময়ৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ প্ৰয়াস কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই উপলক্ষে কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। বিজয়ী প্ৰতিযোগীসকলক একোটাকৈ ৰেডিঅ' ছেট, ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু পি আই বি উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নাম্বুডিৰিপাডে অংশগ্ৰহণ কৰে।

০০০০০

অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয় তথা জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ উদ্যোগত ৰাজ্যত আজিৰেপৰা তিনিদিনীয়াকৈ প্ৰথমবাৰৰ বাবে জ্যেষ্ঠ নাগৰিকৰ সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হৈছে। জিলা আৰু ৰাজ্যিক পৰ্যায়ত আজিৰেপৰা ২৭ ছেপ্তেম্বৰলৈ এই সমাৰোহৰ আয়োজন কৰা হৈছে। সমাৰোহৰ অংশ হিচাপে জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু একাংকিকা নাট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১ অক্টোবৰত আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱসত এই প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত-সচিবে ৰাজ্য চৰকাৰৰ কৰ্মকাৰীসকলৰ পাৰস্পৰিক বদলিৰ ক্ষেত্ৰত প্ৰস্তুত কৰা পোৰ্টেলৰ বাবে যাৱতীয় তথ্য আজিৰ ভিতৰত দাখিল কৰিবলৈ সকলো বিভাগৰ জ্যেষ্ঠতম সচিবসকললৈ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলি প্ৰক্ৰিয়া এটা নিৰ্দিষ্ট ব্যৱস্থাৰ মাজলৈ অনাৰ বাবে নতুন ডিজিটেল প'ৰ্টেল মুকলি কৰাৰ বিষয়ে ঘোষণা কৰিছিল। অহা ২ অক্টোবৰৰ পৰা এই পোৰ্টেলটো মুকলি হ'ব। সেই অনুসৰি অতি জৰুৰীভাৱে যাৱতীয় তথ্য দাখিল কৰিবলৈ নিৰ্দেশনাটোক কোৱা হৈছে। উল্লেখযোগ্য যে, মুকলি হ'বলগীয়া এই প'ৰ্টেলৰ জৰিয়তে ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলে অন লাইনৰ জৰিয়তে পাৰস্পৰিক বদলিৰ বাবে আবেদন জনাব পাৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেৱছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

**সমাপ্ত**